# শৈক্ষিক পৰিৱেশ বিনষ্ট, শিক্ষানুষ্ঠানত দুৰ্বৃত্তৰ দৌৰাত্ম্য

ষ্টাফ ৰিপৰ্টাৰ, ২৪ আগষ্ট ঃ বিগত কিছুদিন ধৰি এক স্বাৰ্থান্বেষী চক্ৰই গুৱাহাটীৰ কে চি দাস কমাৰ্চ কলেজত শাৰিৰীক শক্তি প্ৰয়োগেৰে মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰিবলৈ ষড়যন্ত্ৰ কৰা পৰিলক্ষিত হৈছে। ঘটনাৰ বিৱৰণীত প্ৰকাশ যে যোৱা ২৬ জুলাইত উচ্চতৰ প্ৰথম বাৰ্ষিকৰ নামভৰ্তিৰ সময়ত মহাবিদ্যালয়ৰ ছাত্ৰ কৃষ্ণকান্ত তিৱাৰীৰ লগত ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ কথা কটাকটি হয়। নামভৰ্তি শেষ হোৱাৰ পিছত ঘৰলৈ উভতি যাওঁতে কৃষ্ণকান্ত তিৱাৰী আৰু তেওঁৰ ভাতৃ নাৰায়ণ তিৱাৰীৰ নেতৃত্বত এদল দুৰ্বৃত্তই বিভলভাৰ, তৰোৱাল আদিৰে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া কেইজনমানক আক্ৰমণ কৰি হত্যাৰ প্ৰচেষ্টা চলায়। ইয়াৰ ফলত ছাত্ৰ একতা সভাৰ গুৰু খেল বিভাগৰ সম্পাদক সহঃ জাভেদ বিন জিয়া গুৰুতৰভাৱে আহত হৈ এসপ্তাহ চিকিৎসালয়ত থাকিব লগা হয়। এই আক্ৰমণত প্ৰাঞ্জল গগৈ নামৰ আন এজন ছাত্ৰও গুৰুতৰভাৱে আহত হয়।

উল্লেখ কৰিব পাৰি যে নাৰায়ণ তিৱাৰী এজন দাগী অপৰাধী আৰু ভালেমান হত্যাৰ গোচৰত জড়িত। অপৰাধীক কৰায়ত্ত কৰাৰ দাবীত মহাবিদ্যালয় ছাত্ৰ একতা সভাই কামৰূপ জিলাৰ উপায়ুক্ত আৰু গুৱাহাটী মহানগৰীৰ আৰক্ষী অধীক্ষকৰ হাতত স্মাৰক-পত্ৰ প্ৰদান কৰে। কেবাদিনো পলাতক অৱস্থাত থকাৰ পিছত অৱশেষত যোৱা ২০ আগষ্টত পুলিচে নাৰায়ণ তিৱাৰীক কৰায়ত্ত কৰিবলৈ সক্ষম হয়।

ইয়াৰ পিছত মহাবিদ্যালয়ৰ নিয়ম-শৃংখলা উলংঘা কৰাৰ অপৰাধত অধ্যক্ষই এজন ছাত্ৰক বাধ্যতামূলক 'স্থানান্তৰ-পত্ৰ' দিয়াৰ উপলক্ষ্য হিচাপে লৈ সেই চক্ৰটোৱে পুনৰ মহাবিদ্যালয়ত অশান্তিৰ সৃষ্টি কৰিবলৈ চেষ্টা চলাইছে। বিগত ২০ আগষ্টত নাৰায়ণ তিৱাৰীৰ আন কেইজনমান সংগীয়ে মদ্যপান কৰি, অধ্যক্ষ নথকাৰ সুযোগ লৈ মহাবিদ্যালয়ৰ চৌহদত প্ৰৱেশ কৰি উপাধ্যক্ষ আৰু শিক্ষকক হত্যাৰ ভাবুকি দিয়ে। উল্লেখ্য যে এই বিশেষ চক্ৰটোৱে পূৰ্বে এখন আগশাৰীৰ শিক্ষানুষ্ঠান 'আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়'তো ছুৰীকাঘাত আদি নানা ঘটনাৰে মহাবিদ্যালয়খনক কলুষিত কৰিছিল।

মহাবিদ্যালয়খনৰ বৰ্তমানৰ অধ্যক্ষজনৰ প্ৰশাসনিক দক্ষতা আৰু গতিশীল নেতৃত্বত শিক্ষানুষ্ঠানখনৰ 'শৈক্ষিক পৰিৱেশে' এক নতুন গতি লাভ কৰাৰ সময়তে অশুভ চক্ৰটোৱে চলোৱা এনেধৰণৰ ষড়যন্ত্ৰ কলিতে বিনাশ কৰিবলৈ শিক্ষানুৰাগী ৰাইজে পুলিচ প্ৰশাসনৰ ওচৰত দাবী জনাইছে।

আমাৰ অসম, 25th Aug '99.